# আইন সাহায্য শিবিৰ ২০২০

## সংবিধানৰ প্ৰস্তাৱনা

"আমি ভাৰতৰ জনসাধাৰণে ভাৰতবৰ্ষ এখন সাৰ্বভৌম, সমাজবাদী, ধৰ্মনিৰপেক্ষ, গণতান্ত্ৰিক, গণৰাজ্য হিচাপে প্ৰতিষ্ঠা কৰিম বুলি দৃঢ় সংকল্প কৰি আৰু ভাৰতবৰ্ষৰ সকলো লোককে সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ন্যায়, চিন্তা, প্ৰকাশ, বিশ্বাস, ধৰ্ম আৰু উপাসনাৰ স্বাধীনতা, সম-মৰ্যাদা আৰু সুযোগ দিম বুলি আৰু তেওঁলোকৰ মাজত ব্যক্তিৰ মৰ্যাদা, জাতীয় ঐক্য আৰু সংহতি নিশ্চিতকাৰী ভাতৃত্বভাৱ বৃদ্ধি কৰিবলৈ।


## দিশপুৰ আইন মহাবিদ্যালয়

ধৰ্মানন্দ দাস এভিনিও ৰ'ড, গুৱাহাটী-৭৮১০০৬



### আইন সাহায্য কমিটি

দিশপুৰ আইন মহাবিদ্যালয়ৰ দ্বাৰা প্ৰকাশিত

# যৌতুক নিবাৰণী আইন, ১৯৬১ চন মতে

- যৌতুক দিয়া আৰু লোৱা উভয়েই আইনৰ দৃষ্টিত অপৰাধী। এই অপৰাধৰ বাবে শাস্তি, ১৫,০০০ টকা জৰিমনাসহ ৫ বছৰ সশ্ৰম কাৰাদণ্ড (ধাৰা নং- ৩)
- যদি কোনো ব্যক্তিয়ে প্ৰত্যক্ষ বা পৰোক্ষভাৱে দৰা বা কইনাৰ পিতৃ-মাতৃ বা আন সম্পৰ্কীয় লোক বা অভিভাৱকৰ পৰা যৌতুক দাবী কৰে, তেনেহ'লে তাৰ শাস্তি ৬ মাহৰ পৰা ২ বছৰলৈ সশ্ৰম কাৰাদণ্ড আৰু ১০,০০০ টকা জৰিমনা। (ধাৰা নং-৪)
- কোনো ব্যক্তিয়ে নিজৰ সম্পত্তি বা আন কোনো ধনৰ অংশ নিজৰ ল'ৰা বা ছোৱালীৰ বিয়াৰ প্ৰতিদান হিচাপে বাতৰি কাকত বা আন কোনো প্ৰচাৰ মাধ্যমত বিজ্ঞাপন দিলে তাৰ শাস্তি হিচাপে কাৰাদণ্ডৰ ম্যাদ ৬ মাহৰ পৰা ৫ বছৰলৈ বৃদ্ধি হ'ব পাৰে বা ১৫,০০০ টকা জৰিমনা হ'ব পাৰে। (ধাৰা নং-৪ ক)
- যৌতুক দিয়া বা লোৱাৰ যিকোনো চুক্তিয়েই আইনমতে নিষিদ্ধ। (ধাৰা নং-৫)
- যৌতুক লোৱা নাই বুলি প্ৰমাণ কৰাৰ দায়িত্ব অভিযুক্তজনৰহে। (ধাৰা নং-৮)
- এই আইনৰ জৰিয়তে যৌতুক দাবী কৰা বা লোৱা প্ৰতিহত কৰিবলৈ যৌতুক প্ৰতিৰোধী বিষয়া নিযুক্তি কৰা হৈছে। (ধাৰা নং-৮ ক)
- যৌতুকৰ বলি হোৱাসকলে ওচৰৰ আৰক্ষী চকী বা সেই আৰক্ষী চকীৰ অন্তৰ্গত ওমেন চেল (Women Cell)ৰ জৰিয়তে নিজৰ অভিযোগনামা দাখিল কৰিব পাৰে।
- ওপৰোক্ত আইনৰ জৰিয়তে যৌতুক সম্বন্ধীয় অপৰাধসমূহ জামিনবিহীন হিচাপে গণ্য কৰা হৈছে।

# গাৰ্হস্থ্য হিংসা সুৰক্ষা আইন, ২০০৫ চন

**গাৰ্হস্থ্য হিংসা সুৰক্ষা আইন, ২০০৫ চনৰ এইয়ে বৈশিষ্ট্য যে এই আইনে মূলতঃ** গৃহিনীসকলক সুৰক্ষা প্ৰদান কৰাৰ বাবে আগবাঢ়ি আহিছে। আইনখনত মুঠতে ৩৭টা ধাৰা সন্নিবিষ্ট কৰা হৈছে। এই আইনে কেৱল পত্নীকে নহয়, ভনী-বিধৱা মহিলা বা মাতৃকো অত্যাচাৰী পুৰুষৰ পৰা ৰক্ষা কৰাৰ ব্যৱস্থা লৈছে। ভাৰতীয় সংস্কৃতিয়ে সহবাসক স্বীকৃতি নিদিলেও, সহবাস কৰা মহিলাকো এই আইনে সুৰক্ষা দিয়াৰ ব্যৱস্থা কৰিছে। এইফালৰ পৰা চাব গ'লে সকলো ধৰণৰ নৈতিক-অৰ্থনৈতিক সম্পৰ্কৰ ভিতৰৰ মহিলাই পুৰুষৰ অত্যাচাৰৰ পৰা ৰেহাই পোৱাৰ সম্ভাৱনা এই আইনে দিছে। ধাৰা ৩য়ে গাৰ্হস্থ্য হিংসাৰ এটা সূত্ৰ দাঙি ধৰিছে। এই সূত্ৰটোৰ মতে গাৰ্হস্থ হিংসা মানে—

(ক) যদি কোনোবাই এগৰাকী মহিলাক অনিষ্ট বা তেওঁৰ জীৱন, সুৰক্ষা মবা অংগহানি কৰে অথবা মানসিক বা শাৰীৰিকভাৱে নিৰ্যাতন কৰে অথবা যৌন বা আৰ্থিক নিৰ্যাতন কৰে।

(খ) নিৰ্যাতন, আঘাত কৰা বা যিকোনো প্ৰকাৰে মহিলাগৰাকীক ভয় দেখুৱাই যৌতুক অথবা বেলেগ মূল্যবান সম্পত্তি পিতৃগৃহৰ পৰা আনিবলৈ বাধ্য কৰে।

(গ) মহিলাগৰাকী আৰু তেওঁৰ ওচৰ সম্পৰ্কীয় কোনো আত্মীয়ক শাৰীৰিক অথবা মানসিকভাৱে অনিষ্ট কৰে।

ব্যাখ্যা—১

উপৰোক্ত সংজ্ঞাৰ বাবে অত্যাচাৰ বা হিংসা মানে শাৰীৰিক, যৌনমূলক, মৌখিক বা মানসিক আৰু অৰ্থনৈতিক হিংসাক সামৰি লোৱা হৈছে।

**শাৰীৰিক হিংসা ঃ** সাধাৰণতে ঘটি থকা হিংসা যেনে মহিলাক চৰ মৰা, মাৰধৰ কৰা, মাৰি আঘাত কৰা, কামোৰা, ঘোচা মৰা, লাঠি-ওৱা, চোঁচৰাই নিয়া বা কোনো প্ৰকাৰে শৰীৰত দুখ দিয়া বা আঘাত দিয়া অত্যাচাৰক অন্তৰ্ভুক্ত কৰিছে।

**যৌন সম্পৰ্কীয় হিংসা ঃ** কোনো পুৰুষে জোৰ কৰি যৌনচাৰত লিপ্ত হোৱা অশ্লীল ছবি, যৌনগন্ধী ছবি, বেয়া যৌন সম্পৰ্কীয় লাঞ্ছনা, অপমান আৰু নীচাত্মক কাম কৰা, মৰ্য্যদা হানি কৰা বা গ্ৰহণযোগ্য নোহোৱা যৌন আচৰণ কৰা আৰু শিশুৰ ওপৰত যৌন অত্যাচাৰক অন্তৰ্ভুক্ত কৰিছে।

**মৌখিক হিংসা ঃ** পুৰুষে মহিলাক অপমান কৰা, গালিপৰা, চৰিত্ৰ বা আচৰণত ধৰি গালিপৰা, যৌতুক আনিব নোৱাৰাৰ বাবে তিৰস্কাৰ, কোনো মহিলা বা শিশুক স্কুল, কলেজ বা শিক্ষামূলক অনুষ্ঠানত যাবলৈ বাধা দিয়া, কোনো ব্যক্তিগত বৃত্তিত সোমোৱাৰ পৰা বাধা দিয়া, ঘৰৰ বাহিৰত যাবলৈ মহিলা বা শিশুক বাধা দিয়া, কামৰ অব্যাহতি দিয়া, স্বাভাৱিক অৱস্থাত কোনো মহিলাক পুৰুষৰ লগ ধৰিব নিদিয়া, নিজৰ ইচ্ছাৰ বিৰুদ্ধে বিয়া কৰাবলৈ বাধ্য কৰোৱা, আত্মহত্যা কৰাৰ ভাবুকি আদি অত্যাচাৰক অন্তৰ্ভূক্ত কৰা হৈছে।

**অৰ্থনৈতিক হিংসা ঃ** এজন পুৰুষে পত্নী বা সন্তানক ভৰণ-পোষণ নিদিয়া; তেওঁলোকক খাদ্য, দৰব আৰু পোছাকৰ যোগান নিদিয়া, পতিৰ দৰমহাৰ অংশ নিদিয়া, পত্নীৰ দৰমহা পতিয়ে লৈ যোৱা, মহিলা গৰাকীক থকা ঘৰৰ পৰা উলিয়াই দিয়া, ঘৰৰ কোনো এটা বিশেষ অংশত সোমাবলৈ নিদিয়া, ঘৰত থকা কাপোৰ-কানি, কোনো সামগ্ৰী বা ঘৰত ব্যৱহাৰ কৰা কোনো বস্তু ব্যৱহাৰ কৰিবলৈ নিদিয়া, ভাৰাঘৰত থাকিলে পতিয়ে ঘৰভাৰা নিদিয়া আদি হিংসা এই আইনৰ অন্তৰ্ভূক্ত কৰা হৈছে। এই আইনখনৰ আন এটা বৈশিষ্ট্য এয়ে যে তৃতীয় খণ্ড দফা ৪ৰ পৰা ১১ লৈকে 'প্ৰটেকচন অফিচাৰ' অথবা 'ছাৰ্ভিচ প্ৰভাইদাৰ' এজন নিয়োগ কৰি এটি সম্পূৰ্ণ প্ৰস্তাৱনা দাঙি ধৰা হৈছে। দফা ২(n)য়ে প্ৰটেকচন অফিচাৰ মানে সেইসকলক বুজাইছে যিসকলক প্ৰাদেশীক চৰকাৰে অফিচাৰ হিচাবে নিযুক্তি দিয়ে।

তেনেদৰে দফা ২(r)য়ে চাৰ্ভিচ প্ৰভাইদাৰৰ সূত্ৰ এনেধৰণে দাঙি ধৰিছে—

চাৰ্ভিছ প্ৰভাইদাৰে মানে, যদি কোনো ব্যক্তিগত অনুষ্ঠান যিয়ে চছাইটি ৰেজিষ্ট্ৰেচন কৰিছে বা কোম্পানী হিচাপে ৰেজিষ্ট্ৰেচন কৰিছে যি অনুষ্ঠানে কেৱল মহিলাক সুৰক্ষা দিয়া আৰু উন্নতিৰ হকে কাম কৰিছে, তেনেধৰণৰ অনুষ্ঠানে ছাৰ্ভিচ প্ৰভাইদাৰ হিচাপে নিজকে ৰেজিষ্টাৰ কৰিব পাৰিব।

কিন্তু তথাপিও প্ৰটেকচন অফিচাৰজন মূলতঃ এগৰাকী মহিলা হোৱাটো বাঞ্ছা কৰিছে আৰু তেওঁ এগৰাকী দক্ষ আৰু অভিজ্ঞ মহিলা হোৱাটো কামনা কৰিছে।

দফা ৫-ৰ অধীনত যদি এজন পুলিচ অফিচাৰ বা প্ৰটেকচন অফিচাৰ, ছাৰ্ভিচ প্ৰভাইদাৰ অথবা মেজিষ্ট্ৰেটে গাৰ্হস্থ হিংসাৰ কোনো অভিযোগ পায় অথবা নিজে দেখা পায়, তেনেহ'লে তেওঁ নিৰ্যাতিতা মহিলা গৰাকীক তলত বৰ্ণনা কৰা সকাহ সমূহৰ বিষয়ে অৱগত কৰিব লাগিব।

(ক) আবেদন কৰাৰ অধিকাৰ— ইয়াৰ ভিতৰত টকা-পইচা, সুৰক্ষা, বসতি, ক্ষতিপূৰণ অথবা অন্য কোনোধৰণৰ সকাহৰ আদেশ অথবা আজ্ঞা পোৱাৰ অধিকাৰ।

(খ) ছাৰ্ভিচ প্ৰভাইদাৰৰ পৰা সম্পূৰ্ণ সেৱা পোৱাৰ সুযোগ।

(গ) বিনামূলীয়া আইন সাহায্যৰ অধিকাৰ।

সি যি কি নহওঁক এই আইনৰ কোনো এটা খণ্ডই এজন পুলিচ অফিচাৰক 'মহিলাক অত্যাচাৰ কৰা খবৰ'ৰ সন্দৰ্ভত তেওঁৰ কৰণীয় কৰ্তব্যৰ পৰা বিৰত কৰিব নোৱাৰিব।

দফা ২০ৰ অধীনত নিৰ্যাতিতা মহিলাগৰাকীয়ে তলত দিয়া ধৰণে সকাহ আইনৰ অধীনত পাব—

(ক) বঞ্চিত উপাৰ্জনৰ ক্ষতিপূৰণ।

(খ) স্বাস্থ্য পৰীক্ষাৰ বাবে খৰচপাতি।

(গ) নিৰ্যাতিতা নাৰীগৰাকীৰ নষ্ট হোৱা সা-সম্পত্তিৰ ক্ষতিপূৰণ।

(ঘ) মহিলাগৰাকী আৰু তেওঁৰ সন্তানৰ ভৰণ-পোষণৰ বাবদ পুৰুষজনৰ পৰা খোৰাকী।

যদি নিৰ্যাতিতা নাৰী গৰাকীৰ ওপৰত বৰ্ণিত সকাহ তেওঁৰ স্বামীয়ে বা অন্য কোনো নিৰ্যাতন কৰা পুৰুষে দিবলৈ অস্বীকাৰ কৰে, তেনেহ'লে পুৰুষজনক আইন ভংগৰ অপৰাধত ১ বছৰ কাৰাদণ্ড আৰু ২০ হেজাৰ টকা জৰিমণা বিহাৰ ব্যৱস্থাও এই আইনৰ জৰিয়তে গ্ৰহণ কৰা হৈছে।

# ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আইন, ২০০৫ (এন্‌ৰেগা)

**উদ্দেশ্য ঃ** এই আইনৰ প্ৰধান উদ্দেশ্য হ'ল গ্ৰাম্য নিবনুৱা আৰু অশিক্ষিত লোকক ১০০ দিনৰ কৰ্মসংস্থানৰ ব্যৱস্থা কৰা।

কেনেধৰণৰ কামত সংস্থাপনৰ ব্যৱস্থা কৰা হয়—

প্ৰধানত এই আইনৰ অধীনত তলত উল্লেখ কৰা কামত নিবনুৱা গ্ৰামীণ লোকসকলৰ সংস্থাপনৰ ব্যৱস্থা কৰা হয়—

পানী সংৰক্ষণৰ ব্যৱস্থাকৰণত, খৰাং অৱস্থাৰ বিৰুদ্ধে ব্যৱস্থাকৰণ যেনে— গছপুলি ৰোপন ইত্যাদি, খেতি-মাটিৰ উন্নতিকৰণ, বানপানী প্ৰতিৰোধৰ ব্যৱস্থাকৰণ, ৰাস্তা, নলা-নৰ্দমা আদি কামত সংস্থাপনৰ ব্যৱস্থা।

তদুপৰি এই আইনে গ্ৰামসভাক কিছুমান বিশেষ দায়িত্ব আৰু ক্ষমতা অৰ্পণ কৰিছে। ইয়াৰে অন্তৰ্গত এটা বিশেষ দায়িত্ব হ'ল সামাজিক হিচাব পৰিদৰ্শন আৰু সংস্থাপন ব্যৱস্থাৰ তদাৰককৰণ। এই আইনৰ অধীনত গ্ৰাম্যসভাবিলাক কঠোৰভাবে তেওঁলোকৰ ওপৰত ন্যস্ত কৰা দায়িত্বসমূহ পালন কৰিব লাগিব।

এই আইনৰ দৈনিক মজুৰি সমূহ সাপ্তাহিক ভিত্তিত বা কাম কৰা দিনৰ পৰা এপষেকৰ ভিতৰত বিতৰণ কৰা হয়।

ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আইনৰ অধীনত নিয়োগ দিবৰ বাবে নিয়মসমূহ আৰু শ্ৰমিকসকলৰ নিম্নতম অধিকাৰসমূহ—

প্ৰত্যেক পৰিয়ালৰ প্ৰাপ্তবয়স্ক সদস্যসকল, যিসকল— কোনো গ্ৰাম্য এলেকাত বাস কৰে আৰু অশৈলীগত শাৰীৰিক কাম কৰিবলৈ ইচ্ছা কৰে।

এই আইনৰ অধীনত 'জব কাৰ্ড' প্ৰদানৰ বাবে গাঁও পঞ্চায়নৰ জৰিয়তে অনুসন্ধান কৰি পৰিয়ালসমূহৰ তালিকা প্ৰস্তুতকৰণ আৰু পৰিয়ালটোৰ প্ৰাপ্তবয়স্ক সদস্যসকলৰ প্ৰয়োজনীয় বিৱৰণসহ 'জব কাৰ্ড' প্ৰদান কৰা হয়।

এই আঁচনিৰ অধীনত যিসকল শ্ৰমিকে কাম কৰে তেওঁলোকক এক নিৰ্দিষ্ট হাৰত মজুৰি প্ৰদান কৰা হয়।

# শিক্ষাৰ অধিকাৰ আইন, ২০০৯

**শিশুসকলৰ বাবে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ আইন, ২০০৯ ৰ প্ৰধান বিষয়সমূহঃ**

(১) দেশৰ ৬ বছৰ বয়সৰ পৰা ১৪ বছৰ বয়সৰ সকলো শিশুলৈ বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা।

(২) প্ৰাথমিক শিক্ষা পৰ্যায়ত কোনো শিশুকে একেটা শ্ৰেণীতে ৰাখি থব নোৱাৰিব, বিদ্যালয়ৰ পৰা উলিয়াই দিব নোৱাৰিব আৰু শিশুসকলৰ বাবে বোৰ্ডৰ পৰীক্ষা উত্তীৰ্ণ হোৱাৰ প্ৰয়োজন নহ'ব।

(৩) ছয় বছৰ বয়স হোৱাৰ পিছতো বিদ্যালয়লৈ নোযোৱা শিশু অথবা বিদ্যালয়ত ভৰ্তি হোৱা স্বত্বেও প্ৰাথমিক শিক্ষা সম্পূৰ্ণ কৰিব নোৱাৰা ছাত্ৰ-ছাত্ৰীক তেওঁলোকৰ বয়স অনুযায়ী পৰৱৰ্তী শ্ৰেণীত ভৰ্তি কৰিব লাগিব। কোনো শিশুৱে বয়সৰ অনুপাত পোনপটীয়াভাৱে শ্ৰেণীত ভৰ্তি হ'লে সেই শ্ৰেণীটোৰ আন ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে ফেৰ মাৰিব পৰাকৈ বিশেষ প্ৰশিক্ষণ লাভৰ অধিকাৰ পাব আৰু তেনে শিশুৱে প্ৰাথমিক শিক্ষা সম্পূৰ্ণ কৰাৰ সময়ছোৱাত ১৪ বছৰ বয়স অতিক্ৰম কৰি গ'লে বিনামূলীয়া শিক্ষাৰ অধিকাৰ পাব।

(৪) প্ৰাথমিক শিক্ষা সমাপ্ত কৰা প্ৰতিটো শিশুকে এখনকৈ প্ৰমাণপত্ৰ দিব লাগিব। বিদ্যালয়ত ছাত্ৰ আৰু শিক্ষকৰ অনুপাত নিৰ্দ্দিষ্ট হ'ব লাগিব। নিম্ন প্ৰাথমিক বিদ্যালয়ত এই অনুপাত ১:৩০ আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ত এই অনুপাত ১:৩৫ হ'ব।